**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 06-11-2025
**Time :** 19-10 Hrs

***Assamese Evening Bulletin***
***Headlines***

ooooo

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দেশপ্ৰেমমূলক গীত বন্দে মাতৰমৰ ডেৰশ বছৰীয়া বাৰ্ষিকীৰ সৈতে সংগতি ৰাখি কাইলৈ নতুন দিল্লীত বছৰজোৰা বিশেষ কাৰ্যসূচী মুকলি কৰিব।

২। ভাৰত আৰু নিউজিলেণ্ড দেশ দুখনৰ মাজৰ সম্পৰ্ক পৰৱৰ্তী পৰ্য্যায়লৈ লৈ যাবলৈ সাজু বুলি বাণিজ্য আৰু উদ্যোগ মন্ত্ৰী পীয়ুষ গোৱেলে প্ৰকাশ কৰিছে।

৩। কেন্দ্ৰীয় কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰী শিৱৰাজ সিং চৌহানে কাইলৈ এদিনীয়া ভ্ৰমণসূচীৰে মহাৰাষ্ট্ৰৰ ছত্ৰপতি ছাম্ভাজী নগৰ আৰু ইয়াৰ কাষৰীয়া গ্ৰামীণ অঞ্চলসমূহ ভ্ৰমণ কৰিব।

৪। আই চি চি মহিলা বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত খিতাপ দখল কৰা ভাৰতীয় মহিলা দলৰ সদস্যসকলে আজি ৰাষ্ট্ৰপতি ভৱনত ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুক সাক্ষাৎ কৰে।

*আৰু*

৫। ভাৰতে আজি কুইন্সলেণ্ডত অনুষ্ঠিত ৫ খনীয়া টি টুৱেণ্টি ক্ৰিকেট শৃংখলাৰ চতুৰ্থখন খেলত অষ্ট্ৰেলিয়াক ৪৮ ৰাণত পৰাস্ত কৰে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দেশপ্ৰেমমূলক গীত বন্দে মাতৰমৰ ডেৰশ বছৰীয়া বাৰ্ষিকীৰ সৈতে সংগতি ৰাখি কাইলৈ নতুন দিল্লীত বছৰজোৰা বিশেষ কাৰ্যসূচী মুকলি কৰিব। সাংস্কৃতিক মন্ত্ৰালয়ে ৰাষ্ট্ৰীয় সংগীত বন্দে মাতৰমৰ ডেৰশ বছৰীয়া বাৰ্ষিকী উৎসৱৰ আয়োজন কৰিছে। অহা বছৰৰ ৭ নৱেম্বৰলৈ এই বছৰজোৰা কাৰ্যসূচী চলিব। ডেৰশ বছৰ সম্পূৰ্ণ হোৱা বন্দে মাতৰমে ৰাষ্ট্ৰবাদ, একতা তথা ব্ৰিটিশ শাসনৰ বিৰুদ্ধে প্ৰতিৰোধৰ সমূহীয়া ভাৱনাৰ প্ৰতীকৰূপে প্ৰেৰণা যোগাই আহিছে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে পৰহিলৈ বাৰাণসী ভ্ৰমণ কৰি চাৰিখন নতুন বন্দে ভাৰত এক্সপ্ৰেছ ৰে'লগাড়ীৰ যাত্ৰা পতাকা জোকাৰি মুকলি কৰিব। এই নতুন বন্দে ভাৰত এক্সপ্ৰেছ ৰে'লগাড়ীকেইখনে বেণাৰস-খজুৰাহো, লক্ষ্ণৌ-চাহৰাণপুৰ, ফিৰোজপুৰ-দিল্লী আৰু আৰ্ণাকুলম-বাংগালুৰু পথৰ যাত্ৰা সামৰি ল'ব। এই ৰে'লগাড়ীকেইখনে ভ্ৰমণৰ সময় হ্ৰাস কৰাৰ লগতে পৰ্য্যটন খণ্ডক উৎসাহ যোগাব আৰু দেশৰ অৰ্থব্যৱস্থালৈ অৰিহণা যোগাব বুলি আশা কৰা হৈছে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে নতুন দিল্লীত পৰহিলৈ আইনী সাহায্য প্ৰদান ব্যৱস্থা সন্দৰ্ভত হ'বলগীয়া ৰাষ্ট্ৰীয় সন্মিলন উদ্বোধন কৰিব। এটা বিবৃতিত প্ৰকাশ পোৱা অনুসৰি, প্ৰধানমন্ত্ৰী মোদীয়ে ৰাষ্ট্ৰীয় আইন সেৱা প্ৰাধিকাৰীয়ে প্ৰস্তুত কৰা সামুহিক মধ্যস্থতা প্ৰশিক্ষণ আৰ্হি মুকলি কৰাৰ লগতে সমাৰেশতো অংশ ল'ব।

দুদিনীয়া এই সন্মিলনত আইনী সেৱা, বিশেষকৈ আইনী সাহায্য প্ৰতিৰক্ষা পৰামৰ্শ ব্যৱস্থা, অৰ্ধ আইনী স্বেচ্ছাসেৱক, অধিবক্তাৰ দল, স্থায়ী লোক আদালত আৰু আইন সেৱা প্ৰতিষ্ঠানসমূহৰ আৰ্থিক ব্যৱস্থাপনা সন্দৰ্ভত আলোচনা অনুষ্ঠিত হ'ব।

০০০০০

ভাৰত আৰু নিউজিলেণ্ড দেশ দুখনৰ মাজৰ সম্পৰ্ক পৰৱৰ্তী পৰ্য্যায়লৈ লৈ যাবলৈ সাজু বুলি বাণিজ্য আৰু উদ্যোগ মন্ত্ৰী পীয়ুষ গোৱেলে প্ৰকাশ কৰিছে। নিউজিলেণ্ডৰ ৰট'ৰুৱাত আজি দেশখনৰ বাণিজ্য আৰু উদ্যোগ মন্ত্ৰী টোড মেকলে আৰু উভয় দেশৰ মুখ্য মধ্যস্থতাকাৰীসকলৰ সৈতে ভাৰত-নিউজিলেণ্ড মুক্ত বাণিজ্য চুক্তি বিষয়ক আলোচনাত পৰ্য্যালোচনা কৰি শ্ৰীগোৱেলে এইদৰে প্ৰকাশ কৰে। তেওঁ কয়, যে দুয়ো দেশৰ মাজৰ অৰ্থনৈতিক সম্পৰ্ক সুদৃঢ় কৰাৰ সহযোগিতাৰ নতুন সুযোগ মুকলি কৰি উভয় দেশৰ সংবেদনশীলতাৰ প্ৰতি সন্মান জনাই এখন ভৱিষ্যমুখী আৰু সন্তুলিত বাণিজ্য চুক্তিৰ বাবে কাম কৰি আছে। শ্ৰীগোৱেলে লগতে মেকলেৰ সৈতে ভাৰত-নিউজিলেণ্ড মুখ্য কাৰ্য্যবাহী বিষয়াসকলৰ ঘূৰণীয়া মেজমেলত ভাষণ দিয়ে। ভাৰতৰ দ্ৰুত পৰিৱৰ্তনশীল অৰ্থনৈতিক প্ৰেক্ষাপট সন্দৰ্ভত মত প্ৰকাশ কৰি শ্ৰীগোৱেলে কয়, যে প্ৰযুক্তি, কৃষি, শিক্ষা, নিকা শক্তি আৰু বহন ক্ষমতাৰ লেখিয়া ক্ষেত্ৰসমূহত অধিক সহযোগৰ জৰিয়তে বিকাশৰ নতুন সুযোগৰ সদ্ব্যৱহাৰ কৰিব পৰা যায়। ঘূৰণীয়া মেজমেলত অংশগ্ৰহণ কৰা ভালেসংখ্যক ব্যৱসায়ী ভাৰতীয় মূলৰ হোৱা কথাটো লৈ তেওঁ সন্তুষ্টি প্ৰকাশ কৰে। শ্ৰীগোৱেলে লগতে পৰস্পৰৰ বাবে লাভদায়ক আৰু দীৰ্ঘকালীন গুৰুত্বৰ এই ঊমৈহতীয়া যাত্ৰাত ভাৰতীয় উদ্যোগ জগতৰ সৈতে ঘনিষ্ঠতাৰে কাম কৰিবলৈ নিউজিলেণ্ডৰ কোম্পানীসমূহক আহ্বান জনায়। মন্ত্ৰীগৰাকীয়ে লগতে নিউজিলেণ্ডত ৰাষ্ট্ৰীয় সংগীত বন্দে মাতৰমৰ ডেৰশ বছৰীয়া উদযাপনতো অংশগ্ৰহণ কৰে। দেশখনত বাস কৰা প্ৰৱাসী ভাৰতীয়সকলক উদ্দেশি ভাষণ দি শ্ৰীগোৱেলে তেওঁলোকৰ দক্ষতা আৰু অভিজ্ঞতাৰে ভাৰতবৰ্ষক বিকশিত ৰাষ্ট্ৰৰূপে গঢ়ি তোলাৰ যাত্ৰাত অৱদান আগবঢ়াবলৈ আহ্বান জনায়।

০০০০০

কেন্দ্ৰীয় কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰী শিৱৰাজ সিং চৌহানে কাইলৈ এদিনীয়া ভ্ৰমণসূচীৰে মহাৰাষ্ট্ৰৰ ছত্ৰপতি ছাম্ভাজী নগৰ আৰু ইয়াৰ কাষৰীয়া গ্ৰামীণ অঞ্চলসমূহ ভ্ৰমণ কৰিব। কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰালয়ে প্ৰকাশ কৰা অনুসৰি, মন্ত্ৰীগৰাকীয়ে কৃষি আৰু গ্ৰামীণ উন্নয়নৰ বাবে গ্ৰহণ কৰা আঁচনিসমূহৰ ৰূপায়ণ আৰু স্থানীয় কৃষকৰ সৈতে বাৰ্তালাপ কৰাৰ লগতে বান ক্ষতিগ্ৰস্ত অঞ্চলসমূহৰ অৱস্থাৰ পৰ্য্যালোচনা কৰিব।

এই ভ্ৰমণকালত মন্ত্ৰীগৰাকীয়ে কৃষক আৰু গাঁওবাসীৰ সৈতে কল্যাণমূলক আঁচনিসমূহৰ ফলপ্ৰসূ ৰূপায়ণ সন্দৰ্ভত পৰ্য্যালোচনা কৰিব। মন্ত্ৰী শ্ৰীচৌহানে আৰণপুৰ গাঁৱৰ বানে ক্ষতি কৰা দলং আৰু আন্তঃগাঁথনিৰ বুজ লোৱাৰ লগতে পৰ্য্যালোচনাও কৰিব। তেওঁ লগতে ঘাৰকুল গৃহ প্ৰকল্পৰ হিতাধিকাৰীৰ পৰিয়াল আৰু স্থানীয় গাঁওবাসীৰ সৈতে বাৰ্তালাপ কৰিব। শ্ৰীচৌহানে খানগাঁও-তপোবন দলং আৰু গভীৰ নলী-নাদ সন্দৰ্ভত পৰ্য্যালোচনা কৰিব।

০০০০০

উপ-ৰাষ্ট্ৰপতি তথা ৰাজ্য সভাৰ সভাপতি চি পি ৰাধাকৃষ্ণণে আজি শতপল শৰ্মাক শপতবাক্য পাঠ কৰোৱায়। শ্ৰীশৰ্মা সংসদৰ  উচ্চ সদনৰ সদস্য হিচাপে নিৰ্বাচিত হৈছে। তেওঁ ভাৰতীয় জনতা পাৰ্টীৰ সদস্য

হিচাপে জম্মু-কাশ্মীৰৰ পৰা নিৰ্বাচিত হৈছে। শপতগ্ৰহণ অনুষ্ঠানত কেন্দ্ৰীয় মন্ত্ৰী আৰু ড০ জিতেন্দ্ৰ সিঙো উপস্থিত থাকে।

০০০০০

বিহাৰ বিধানসভা নিৰ্বাচনৰ প্ৰথম পৰ্যায়ৰ ভোটগ্ৰহণৰ সামৰণি পৰিছে। ৰাজ্যখনত এই পৰ্য্যায়ত বিয়লি ৫ বজালৈ ৬০ দশমিক ১-৩ শতাংশ ভোটদাতাই ভোটদানৰ অধিকাৰ সাব্যস্ত কৰে। বেগুচৰাই জিলাত সৰ্বাধিক ৬৭ দশমিক ৩ - ২ শতাংশ ভোটদান হৈছে। ৰাজ্যখনৰ কেইবাগৰাকীও আগশাৰীৰ নেতাই আজি পুৱাৰ ভাগত ভোটদানৰ অধিকাৰ সাব্যস্ত কৰে। বিহাৰৰ মুখ্যমন্ত্ৰী নীতিশ কুমাৰে পাটনা জিলাৰ বখ্‌তিয়াৰপুৰত, উপ-মুখ্যমন্ত্ৰী তথা তাৰাপুৰ সমষ্টিৰ বিজেপি প্ৰাৰ্থী সম্ৰাট চৌধৰীয়ে মুংগেৰত ভোটদান কৰে। বিজেপি নেতা তথা কেন্দ্ৰীয় গৃহ ৰাজ্যমন্ত্ৰী নিত্যানন্দ ৰায় আৰু তেওঁৰ পত্নীয়ে হাজিপুৰত ভোটদানৰ অধিকাৰ সাব্যস্ত কৰে। একেদৰে বিকাশশীল ইনচান পাৰ্টীৰ মুৰববী তথা মহা মিত্ৰজোঁটৰ উপ-মুখ্যমন্ত্ৰী পদৰ প্ৰাৰ্থী মুকেশ চাহানীয়ে দৰভংগাত ভোটদান কৰে।

প্ৰথম পৰ্যায়ৰ নিৰ্বাচনত ৰাজ্যখনৰ ১৮ খন জিলাৰ ১২১ টা সমষ্টি সামৰি লোৱা হৈছে।

০০০০০

সাংসদ খেল মহোৎসৱৰ অংশ হিচাপে অহা ১৬ নৱেম্বৰত নতুন দিল্লীত নমো ৰান মাৰাথনৰ আয়োজন কৰা হৈছে। কৰ্প'ৰেট পৰিক্ৰমা দপ্তৰৰ ৰাজ্য মন্ত্ৰী হৰ্ষ মলহোত্ৰাই খেল মহোৎসৱ উদ্বোধন কৰি এই কথা প্ৰকাশ কৰে। তেওঁ কয়, যে প্ৰায় ৩০ হাজাৰ প্ৰতিযোগীয়ে খেল মহোৎসৱত পঞ্জীয়ন কৰিছে। তিনিটা পৰ্যায়ত আয়োজন কৰা এই মহোৎসৱত ভাৰতীয় পৰম্পৰাগত খেলসমূহৰ উপৰি অলিম্পিকত অন্তৰ্ভুক্ত কৰা খেলো অনুষ্ঠিত হ'ব বুলি মন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে। তেওঁ লগতে কয়, যে প্ৰতিযোগিতাত ভাল প্ৰদৰ্শন কৰিবলৈ সমৰ্থ হোৱা খেলুৱৈসকলক প্ৰশিক্ষক আৰু অন্যান্য সা-সুবিধাৰ লগতে অত্যাধুনিক সুবিধাযুক্ত ষ্টেডিয়ামত খেলাৰ সুযোগ দিয়া হ'ব। এই পদক্ষেপে যুৱক-যুৱতীসকলক দক্ষতা বিকাশত সহায় কৰিব আৰু বিশ্বৰ সমুখত ভাৰতক গৌৰৱান্বিত কৰি তুলিব বুলি শ্ৰী মলহোত্ৰাই আশা প্ৰকাশ কৰে।

০০০০০

আই চি চি মহিলা বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত খিতাপ দখল কৰা ভাৰতীয় মহিলা দলৰ সদস্যসকলে আজি ৰাষ্ট্ৰপতি ভৱনত ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুক সাক্ষাৎ কৰে। ৰাষ্ট্ৰপতিয়ে দলটোক অভিনন্দন জনাই কয়, যে তেওঁলোকে ইতিহাস ৰচনা কৰিছে আৰু যুৱ প্ৰজন্মৰ বাবে আদৰ্শ হৈ পৰিছে। তেওঁ কয়, যে ভাৰতীয় মহিলা দলে সমাজৰ বিভিন্ন ক্ষেত্ৰ, সামাজিক পৃষ্ঠভূমি আৰু পৰিস্থিতিক প্ৰতিনিধিত্ব কৰে আৰু দল হিচাপে সমগ্ৰ দেশৰ বিবিধতাৰ পৰিচায়ক। ভাৰতীয় দলক সাতবাৰৰ বিশ্ব চেম্পিয়ন আৰু অপৰাজেয় অষ্ট্ৰেলিয়াক পৰাভূত কৰি নিজৰ সামৰ্থ্যৰ প্ৰতি ভাৰতবাসীক বিশ্বাস সুদৃঢ় কৰা বুলি শ্ৰীমতী মুৰ্মুৱে প্ৰকাশ কৰে। ৰাষ্ট্ৰপতিগৰাকীয়ে ফাইনেলত এটা শক্তিশালী দলক বিশাল ব্যৱধানত পৰাজিত কৰাটো দলৰ শ্ৰেষ্ঠত্বৰ নিদৰ্শন বুলি অভিহিত কৰে। তেওঁ কয়, যে ভাৰতীয় মহিলা ক্ৰিকেট দলৰ সদস্যসকল আদৰ্শ হৈ উঠিছে। শ্ৰীমতী মুৰ্মুৱে কয়, যে যুৱ প্ৰজন্ম বিশেষকৈ, ছোৱালীসকল জীৱনত আগবাঢ়িবলৈ তেওঁলোকৰ পৰা অনুপ্ৰেৰণা লাভ কৰিব। তেওঁলোকে যিধৰণৰ দক্ষতাৰে ইতিহাস ৰচনা কৰিছে, ভৱিষ্যতে সেই একেধৰণৰ নিষ্ঠাৰে ভাৰতীয় ক্ৰিকেটৰ শিখৰলৈ লৈ যাব বুলি ৰাষ্ট্ৰপতিগৰাকীয়ে আস্থা প্ৰকাশ কৰে। ৰাষ্ট্ৰপতিয়ে ভাৰতীয় মহিলা ক্ৰিকেট দলৰ বেটিং, বলিং, ফিল্ডিং প্ৰশিক্ষক তথা সহযোগীসকলৰ ভূয়সী

প্ৰশংসা কৰে। তেওঁলোকে নিজৰ প্ৰদৰ্শনেৰে ভাৰতীয় দলৰ বাবে সফলতাৰ নতুন অভিলেখ গঢ়ি যাব বুলি ৰাষ্ট্ৰপতিগৰাকীয়ে কামনা কৰে।

০০০০০

ভাৰতে আজি কুইন্সলেণ্ডত অনুষ্ঠিত ৫ খনীয়া টি টুৱেণ্টি ক্ৰিকেট শৃংখলাৰ চতুৰ্থখন খেলত ঘৰুৱা দল অষ্ট্ৰেলিয়াক ৪৮ ৰাণত পৰাস্ত কৰি শৃংখলাত ২-১ ফলাফলেৰে অগ্ৰগতি লাভ কৰে। অষ্ট্ৰেলিয়াই ১৬৮ ৰাণৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি ১৮ অভাৰ আৰু দুটা বলত আটাইকেইটা উইকেট হেৰুৱাই ১১৯ ৰাণহে  কৰিবলৈ সমৰ্থ হয়। অষ্ট্ৰেলিয়াৰ হৈ অধিনায়ক মিছেল মাৰ্চে সৰ্বাধিক ২০ ৰাণ কৰে। ভাৰতৰ হৈ ৱাছিংটন সুন্দৰে তিনিটা, অক্ষৰ পেটেল আৰু শিৱম ডুবেই দুটাকৈ উইকেট লাভ কৰে। ইয়াৰ আগেয়ে ভাৰতে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ২০ অভাৰত ৮ টা উইকেট হেৰুৱাই ১৬৭ ৰাণ কৰে। ভাৰতৰ হৈ শুভমন গীলে সৰ্বাধিক ৪৬ ৰাণ কৰে। অষ্ট্ৰেলিয়াৰ নাথন এলিছ আৰু আদাম জাম্পাই তিনিটাকৈ উইকেট লাভ কৰে। ভাৰতৰ হৈ ১১ টা বলত ২১ ৰাণ কৰা আৰু দুটা উইকেট লাভ কৰা অক্ষৰ পেটেলক প্লেয়াৰ অৱ দ্যা মেচ হিচাপে ঘোষণা কৰা হয়।

০০০০০

সমাপ্ত